প্ৰেছ ৰিলিজ

১০/০৭/২০২০

# মহামাৰী স্বত্বেও এন আৰ এলৰ প্ৰথম কোৱাৰ্টাৰৰ সফল ৰেকৰ্ডঃ

বৰ্তমান সময়ত নুমলীগড় ৰিফাইনেৰীত কাৰ্য্যক্ৰম প্ৰায় সাধাৰণ অৱস্থালৈ ঘূৰি আহিছে।প্ৰথম কোৱাৰ্টাৰৰ সময়ছোৱাত খাৰুৱা প্ৰৱাহ ক্ষমতা আছিল ৬২৭ টি এম টি যিটো যোৱাবছৰৰ তুলনাত ৮% শতাংশ কম।ক'ভিড -১৯ৰ বাবে হোৱা লকডাউনৰ পৰিপ্ৰেক্ষিতত হোৱা সীমাবদ্ধতা স্বত্বেও পেট্ৰল আৰু ডিজেলৰ বিক্ৰীৰ ক্ষেত্ৰত হোৱা হ্ৰাস নূন্যতম  ৯ %  লৈকেহে হয়।ইয়াৰ উপৰিও শোধানাগাৰটোৱে পেট্ৰনাছ মালয়েছিয়াৰ পৰা আমদানি কৰি অনা ৮.১ টি এম টি খাৰুৱা তেলৰ প্ৰছেছিং কৰিবলৈ সক্ষম হয়। নৰ্থ ইষ্টৰ বিশুদ্ধ ৰন্ধন ইন্ধনৰ বাঢ়ি অহা চাহিদানুযায়ী শোধানাগাৰটোৰ বটলিং প্লেণ্টটোৱে ১৬ ঘণ্টাকৈ দুটা শ্বিফ্টত কাম কৰি আহিছে।নেটৱৰ্ক আন্তঃ গাঠনিৰ উন্নীতকৰণৰ জৰিয়তে এন আৰ এলে সফলতাৰে  " ৱৰ্ক ফ্ৰম হ'ম " নীতি ৰূপায়ন কৰিবলৈ সক্ষম হৈছে।

প্ৰথম কোৱাৰ্টাৰৰ কাৰ্য্যাৱলীৰ সন্দৰ্ভত এন আৰ এলৰ পৰিচালন সঞ্চালক শ্ৰী এচ কে বৰুৱাই কয় " ক'ভিড- ১৯ ৰ পৰিপ্ৰেক্ষিতত হোৱা বাধাস্বত্বেও আমাৰ সকলো কৰ্মচাৰী আৰু কণ্ট্ৰেকচুৱেল ষ্টাফৰ সুৰক্ষা সুনিশ্চিত কৰি আমি শোধানাগাৰটোৰ কাৰ্য্য কলাপ চলাই নিবলৈ প্ৰচেষ্টা যৎপৰোনাস্তি অব্যাহত আছে। আমাৰ

বছৰেকীয়া লক্ষ্য যাতে আমি পূৰণ কৰিব পাৰো তাৰবাবে আমাৰ সকলো চাইটতে প্ৰজেক্টৰ কাৰ্য্যাৱলী আৰম্ভ হৈ গৈছে আৰু আমি অনাগত কেইমাহমানৰ ভিতৰত কিছুমান কেপেক্স ফ্ৰণ্টল'ড কৰিম"।

২জি ইথানল বায়ৰিফাইনেৰী প্লেণ্টকে ধৰি বিভিন্ন প্ৰকল্পৰ প্ৰগতিও সফলভাবে ৰূপায়ন হৈ আছে আৰু বৰ্তমান প্ৰায় ৫০০ নিৰ্মাণ কৰ্মীয়ে চাইটত কৰ্মৰত হৈ আছে।তদুপৰি সম্প্ৰসাৰণ আৰু পাইপলাইন প্ৰকল্পৰ কিছুমান প্ৰধান নিবিদা কোম্পানীটোৱে সফলতাৰে প্ৰদান কৰিছে। পাৰাডীপৰ পৰা নুমলীগড় খাৰুৱা তেল পাইপলাইনৰ বাবে অহা কেইমাহমানত লাইন পাইপ প্ৰাপ্তিৰ বাবে উপক্ৰমৰ চেষ্টাও হাতত লোৱা হৈছে।